# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/০৪/২০২১
Ref :

তাৰিখ : ২০-০৬-২০২১
Date :

# অসম জাতীয় বিদ্যালয়ত বিষ্ণু ৰাভা দিৱস পালন

**নুনমাটি, গুৱাহাটী, ২০ জুন :** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ আজি মৃত্যু দিনটোত গুৱাহাটীৰ নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ে অভিনৱ কাৰ্য্যসূচীৰে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। পুৰা সম্পূৰ্ণ ক'ভিড নীতি-নিয়মৰ মাজেৰে বিদ্যালয় প্ৰাংগণত আয়োজিত এটা অনুষ্টুপীয়া অনুষ্ঠানত ৰাভাদেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বন্তি প্ৰজ্বলন কৰে অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই। অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয় ক্ৰমে ৰবীন্দ্ৰ বৰ্মন আৰু অপৰাজিতা বৰাৰ লগতে কেইগৰাকীমান শিক্ষক-কৰ্মচাৰী উপস্থিত থাকে। ইয়াৰ পাছতেই ভাৰ্চুৱেল মাধ্যমেৰে আয়োজিত কাৰ্য্যসূচীত বিদ্যালয়ৰ অংকুৰ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকল উপস্থিত থাকি ৰাভাদেৱৰ গীত-মাত, কবিতা-নৃত্য আদি পৰিৱেশন কৰে। কেইবাগৰাকীও শিক্ষাৰ্থীয়ে বিষ্ণু ৰাভাৰ জীৱনৰ বিভিন্ন দিশৰ বিষয়ে বক্তৃতা দিয়ে। ক'ভিড মহামাৰীয়ে সৃষ্টি কৰা প্ৰতিকূল পৰিস্থিতিৰ মাজতো এনেদৰে সাংস্কৃতিক কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকল উৎসাহিত হৈ পৰে। অনুষ্ঠানৰ শেষত বিদ্যালয়ৰ কেইগৰাকীমান শিক্ষাৰ্থীয়ে পৰিৱেশন কৰা গীত-নৃত্যৰ এটি বাছকবনীয়া অনুষ্ঠানৰ ভিডিঅ' শিক্ষাৰ্থীসকললৈ প্ৰেৰণ কৰা হয়। বিষ্ণু ৰাভা দিৱসৰ আহ্বায়কৰ দায়িত্বত আছিল ইংৰাজী বিষয়ৰ শিক্ষয়িত্ৰী জ্যোতিৰূপা দাস।